# NORTH LAKHIMPUR COLLEGE

**(An Autonomous College Affiliated to Dibrugarh University)**
**COLLEGE WITH POTENTIAL FOR EXCELLENCE PHASE –II**
**P.O.- KHELMATI – 787031, North Lakhimpur, Assam**
**(Accredited by NAAC with B++ grade, 2.9 CGPA)**

## REPORTS OF EXTENSION PROGRAMMES

## YEAR 2022-23

1. Title of the Extension Programme : Field Survey in Roiya Bakal Village
2. Date of the Extension Programme : 3/11/2022
3. Conducted by : UBA Cell, NCC, NSS
4. Collaborating Agency : NABARD, Lakhimpur and Village local bodies.
5. Number of Students Participated : 200
6. Brief Report of the Extension Activity

Including the outcome of the activity : 50 Students of the Department of Economics participated in the extension programme. During the survey work students visited 110 households of the village and collected data related to Education, health hygiene, economic conditions etc. of the people of the village. An awareness programme on "Vigilance Awareness Week-2022" was also conducted in the sidelines of the survey work. Students demonstrated short programmes to motivate the villagers for building a corruption free Indian through their practices.



## নৰ্থ লখিমপুৰ কলেজৰ শিক্ষাৰ্থীৰ ক্ষেত্ৰ অধ্যয়ন

# বৈৰয়া বকল গাঁৱৰ ১১০টা পৰিয়ালৰ তথ্য সংগ্ৰহ



নিয়মীয়া বাৰ্তা, লালুক, ৬ নৱেম্বৰ ঃ ভাৰত চৰকাৰৰ শিক্ষা বিভাগৰ অভিলাষী আঁচনি 'উন্নত ভাৰত অভিযান'ৰ এক অংশগ্ৰহণকাৰী শিক্ষানুষ্ঠান নৰ্থ লখিমপুৰ কলেজে ৩ নৱেম্বৰত পাঁচখন পালিত গাঁৱৰ অন্যতম গাঁও বৈৰয়া বকল গাঁৱত ক্ষেত্ৰ অধ্যয়ন আৰু সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰে। শিক্ষিত ভাৰত, আত্মনিৰ্ভৰ ভাৰত, স্বচ্ছ, স্বাৱলম্বী আৰু সমৃদ্ধ ভাৰত গঢ়াৰ লক্ষ্য আগত ৰাখি কৰা ক্ষেত্ৰ অধ্যয়ন কাৰ্যসূচীত নৰ্থ লখিমপুৰ কলেজৰ অৰ্থনীতি বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। ছাত্ৰ-ছাত্ৰীসকলে লখিমপুৰ জিলাৰ বৈৰয়া বকল গাঁৱৰ ১১০টা পৰিয়াল তথা বাসগৃহৰ শিক্ষা, জীৱিকা, স্বাস্থ্য আৰু সজাগতা, সমস্যা আদি বিভিন্ন বিষয়ৰ তথ্য সংগ্ৰহ কৰে। ক্ষেত্ৰ অধ্যয়ন কাৰ্যসূচীৰ লগত সংগতি ৰাখি 'ভিজিলেঞ্চ সজাগতা সপ্তাহ-২০২২' শীৰ্ষক এক সজাগতামূলক ১০ পৃষ্ঠাত

## বৈৰয়া বকল গাঁৱৰ ১১০টা পৰিয়ালৰ

কাৰ্যসূচী ৰূপায়ণ কৰা হয়। নাবাৰ্ড লখিমপুৰ আৰু ধেমাজি জিলাৰ জিলা বিকাশ প্ৰবন্ধ কাৰ্যালয়ৰ দ্বাৰা আয়োজিত এই কাৰ্যসূচীৰ আঁত ধৰে নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ মুৰব্বী তথা মহাবিদ্যালয়ৰ উন্নত ভাৰত অভিযান কোষৰ সমন্বয়ক ড° বৰ্ণালী বৰাই। সমন্বয়কগৰাকীয়ে গাঁওবাসীক উন্নত ভাৰত অভিযানৰ বিভিন্ন কাৰ্যসূচীৰ বিষয়ে অৱগত কৰাৰ লগতে 'ভিজিলেঞ্চ সজাগতা সপ্তাহ-২০২২'ৰ মূল লক্ষ্য 'এখন উন্নত ৰাষ্ট্ৰৰ বাবে দুৰ্নীতিমূলক ভাৰত'ৰ বিষয়ে উল্লেখ কৰে। উক্ত কাৰ্যসূচীত নাবাৰ্ডৰ লখিমপুৰ আৰু ধেমাজি জিলাৰ জিলা বিকাশ প্ৰবন্ধক অম্লান জ্যোতি তামুলীয়ে দুৰ্নীতিমুক্ত ভাৰতৰ সপোনৰ বিষয়ে উল্লেখ কৰাৰ লগতে নাবাৰ্ডৰ বিভিন্ন ফলপ্ৰসূ আঁচনিৰ বিষয়ে গাঁওবাসী আৰু ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে। অনুষ্ঠানত উপস্থিত থাকি লীড বেংকৰ জিলা প্ৰবন্ধক নন্দেশ্বৰ বৰ্মনে বেংক একাউণ্টৰ লগত জড়িত বিভিন্ন অনৈতিক আৰু আইনবিৰোধী কাৰ্যকলাপ তথা সমস্যা সম্পৰ্কে সজাগতামূলক বক্তব্য আগবঢ়ায়। লগতে গাঁওবাসীৰ বিভিন্ন প্ৰশ্নৰ সমাধান সূত্ৰ আগবঢ়ায়। অনুষ্ঠানত উপস্থিত সকলোৱে নাগৰিকৰ সত্যনিষ্ঠাৰ শপত গ্ৰহণ কৰে। দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপিকা ড° বৰ্ণালী বৰাৰ নেতৃত্বত সম্পন্ন হোৱা ক্ষেত্ৰ অধ্যয়ন আৰু সজাগতামূলক কাৰ্যসূচীত সক্ৰিয় সহযোগিতা আগবঢ়ায় নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ সহকাৰী অধ্যাপিকা যুতিকা পাটিৰ, অনুসন্ধান আৰু নিযুক্তি বিষয়া হেমন্ত মাধৱ গগৈ, এন এছ এছৰ আঁচনি বিষয়া বিপুল শইকীয়া, অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক মুখ্যজিত সোণোৱাল, কৰ্মচাৰী অতুল সোণোৱাল, মৃদুল বৰুৱা আৰু টুটুমণি দাসে। ক্ষেত্ৰ অধ্যয়ন আৰু সজাগতামূলক কাৰ্যসূচী সফলভাৱে সম্পন্ন হোৱাৰ বাবে উন্নত ভাৰত অভিযান কোষ, অৰ্থনীতি বিভাগ আৰু সক্ৰিয়ভাৱে সহযোগিতা আগবঢ়োৱা বৈৰয়া বকল গাঁওবাসীক কৃতজ্ঞতা জ্ঞাপন কৰিছে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই।

(Dr. B.C. Chetia)
Principal
North Lakhimpur College
(Autonomous)

Principal
North Lakhimpur College
(Autonomous)
Lakhimpur, Assam